# Telephonic conversation between Prime Minister and Vladimir V. Putin, President of Russia on COVID-19

March 25, 2020

# কোভিড-১৯ৰ ওপৰত প্ৰধানমন্ত্ৰী আৰু ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ ভি পুটিনৰ মাজত টেলিফোনিক বাৰ্তালাপ

মাৰ্চ 25, 2020

ৰাছিয়াৰ ৰাষ্ট্ৰপতি মহামহিম ভ্লাডিমিৰ ভি পুটিন আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে আজি টেলিফওনিক বাৰ্তালাপত মিলিত হয়। দুয়োগৰাকী নেতাই কোভিড- ১৯ মহামাৰীৰ সন্দৰ্ভত বৈশ্বিক পৰিস্থিতিৰ বিষয়ে আলোচনা কৰে।

প্ৰধানমন্ত্ৰীয়ে ৰাছিয়াত যিসকল লোক এই ৰোগত আক্ৰান্ত হৈছে তেওঁলোকৰ আশু আৰোগ্যৰ লগতে এই ৰোগৰ বিৰুদ্ধে ৰাষ্ট্ৰপতি পুটিনৰ নেতৃত্বত ৰাছিয়াই লোৱা প্ৰচেষ্টাৱলীৰ সফলতা কামনা কৰে।

ৰাষ্ট্ৰপতি পুটিনেও কোভিড-১৯ৰ বিৰুদ্ধে যুঁজিবলৈ ভাৰতে গ্ৰহণ কৰা  সকলো পদক্ষেপৰ সফলতা কামনা কৰি প্ৰধানমন্ত্ৰীক শুভেচ্ছা জ্ঞাপন কৰে।

দুয়োগৰাকী নেতাই স্বাস্থ্য, ঔষধ-পাতি, বিজ্ঞানসন্মত গৱেষণা, মানৱীয় দিশ আৰু বিশ্ব অৰ্থনীতিৰ প্ৰভাৱকে ধৰি বিশ্বৰ প্ৰধান সংকটৰ বাবে সন্মুখীন হোৱা সকলো প্ৰত্যাহ্বান উপযুক্তভাৱে সামৰি লোৱাকৈ অধিক পৰামৰ্শ আৰু সহযোগিতা আগবঢ়োৱাৰ ক্ষেত্ৰত সহমত প্ৰকাশ কৰে। তেওঁলোকে জি-২০ পৰিকাঠামোৰ আওতাত আন্তঃৰাষ্ট্ৰীয় সহযোগিতাৰে কোভিড-১৯ৰ বিৰুদ্ধে যুঁজ দিয়াৰ ক্ষেত্ৰতো গুৰুত্ব আৰোপ কৰে।

প্ৰধানমন্ত্ৰীয় ৰাছিয়াত থকা ভাৰতীয় শিক্ষাৰ্থীসকলৰ সু-স্বাস্থ্য সুনিশ্চিত কৰাৰ ক্ষেত্ৰত ৰাছিয়াৰ কৰ্তৃপক্ষই আগবঢ়োৱা সহযোগিতাৰ প্ৰশংসা কৰি ভৱিষ্যতেও এই প্ৰচেষ্টা অব্যাহত ৰখাটো কামনা কৰে। ৰাষ্ট্ৰপতিয়ে এই ক্ষেত্ৰত সকলো সহায়ৰ আশ্বাস দিয়ে। প্ৰধানমন্ত্ৰীয়ে ৰাষ্ট্ৰপতি পুটিনক জনায় যে ভাৰত চৰকাৰেও ৰাছিয়াৰ লোকসকলৰ সুস্বাস্থ্য সুনিশ্চিত কৰাৰ লগতে প্ৰয়োজনমতে তেওঁলোকক সুকলমে ঘূৰাই পঠোৱাৰ ব্যৱস্থা কৰিব।

দুয়োগৰাকী নেতাই দ্বিপাক্ষিক সম্পৰ্কৰ আন্তৰিক আৰু সময়োপযোগী সহযোগিতা অধিক সুদৃঢ় কৰাৰ লগতে এই গতিৰ ধাৰাবাহিকতা অক্ষুণ্ন ৰখাৰ প্ৰতি সহমত প্ৰকাশ কৰে। দুয়োগৰাকী নেতাই অনাগত দিনত ব্যক্তিগতভাৱে আৰু অধিক বাৰ্তালাপ কৰাৰ সুযোগৰ আশা প্ৰকাশ কৰে।

**নতুন দিল্লী**
**মাৰ্চ 25, 2020**

DISCLAIMER : This is an approximate translation. The original is available in English on MEA’s website and may be referred to as the official press release.